**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date : 17**-05-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::::::::::::::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পাঁচখন দেশৰ যাত্ৰাৰ তৃতীয় পৰ্যায়ত আজি দুদিনীয়া ছুইডেন ভ্ৰমণসূচীৰে গোফেনবাৰ্গত উপস্থিত হ'ব।

২। প্ৰধানমন্ত্ৰীয়ে কালি নেডাৰলেণ্ডছ্ ভ্ৰমণৰ দ্বিতীয় দিনা কেইবাটাও কাৰ্যসূচীত ভাগ লয়।

৩। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই কালি ডমিনিকাৰ বিদেশ মন্ত্ৰীৰ সৈতে ফাৰ্মাকপিয়া সম্পৰ্কীয় বুজাবুজিৰ চুক্তি সম্পাদন কৰে।

৪। স্বাত্বিকছাইৰাজ ৰণকীৰেড্ডী আৰু ছিৰাগ চেট্টিৰ যুটীটো আজি থাইলেণ্ড অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলকাতা নাইটৰাইডাৰ্ছে গুজৰাট টাইটানছক ২৯ ৰানত পৰাস্ত কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পাঁচখন দেশৰ যাত্ৰাৰ তৃতীয় পৰ্যায়ত আজি দুদিনীয়া ছুইডেন ভ্ৰমণসূচীৰে গোফেনবাৰ্গত উপস্থিত হ'ব। ভাৰত আৰু ছুইডেনৰ মাজত শক্তিশালী মিত্ৰতা সুদৃঢ় কৰাৰ দিশৰ পৰা প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণ ঐতিহাসিক মাইলৰ খুঁটি হিচাপে পৰিগণিত হ'ব। ভ্ৰমণকালত শ্ৰী মোদীয়ে দেশখনৰ প্ৰধানমন্ত্ৰী উল্ফ ক্ৰিষ্টৰ্ছনৰ সৈতে উভয় দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ আটাইবোৰ দিশৰ পৰ্যালোচনা কৰিব আৰু দ্বিপাক্ষিক বাণিজ্যৰ লগতে সেউজ পৰিৱৰ্তন, কৃত্ৰিম বুদ্ধিমত্তা, নিত্য নতুন প্ৰযুক্তি, ষ্টাৰ্টআপ, শক্তিশালী যোগান শৃংখলা, মহাকাশ, প্ৰতিৰক্ষা, জলবায়ু পৰিৱৰ্তন ৰোধৰ ব্যৱস্থা আৰু জন সম্পৰ্ক খণ্ডত সহযোগিতা বৃদ্ধিৰ উপায় অন্বেষণ কৰিব। দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে লগতে ইউৰোপীয় আয়োগৰ অধ্যক্ষ উৰ্ছুলা ৰ'ন ডেৰ লেয়েনৰ সৈতে ইউৰোপৰ উদ্যোগপতিসকলৰ আগশাৰীৰ মঞ্চ ঔদ্যোগীক ঘূৰণীয়া মেজমেলত ভাষণ দিব।

যোৱা জানুৱাৰীত ঐতিহাসিক ভাৰত-ইউৰোপীয় সংঘ মুক্ত বাণিজ্য চুক্তি প্ৰযোজ্য হোৱাৰ পাছত এয়া হৈছে প্ৰধানমন্ত্ৰীৰ প্ৰথম ইউৰোপ ভ্ৰমণ। দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা কৰা আৰু পৰিৱৰ্তনশীল প্ৰযুক্তি তথা জটিল ভূ-ৰাজনৈতিক প্ৰত্যাহ্বানৰ সময়ত সহযোগিতাৰ নতুন থল অন্বেষণেই এই ভ্ৰমণৰ মূল উদ্দেশ্য। ভাৰত আৰু ছুইডেনৰ মাজত বিত্তিয় লেনদেন বৃদ্ধি পোৱাৰ সময়ত কৰা প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে বিশেষ তাৎপৰ্য বহন কৰিছে। উল্লেখযোগ্য যে, দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক বাণিজ্যৰ পৰিমাণ ২০২৫ চনত ৭৭৫ কোটি ডলাৰলৈ বৃদ্ধি পাইছে। একেদৰে ২০০০ৰ

পৰা ২০২৫ চনৰ ভিতৰত ছুইডেনৰ পৰা ভাৰতলৈ ২৮২ কোটি ৫০ লাখ ডলাৰৰ প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ আগমন হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নেডাৰলেণ্ডছ ভ্ৰমণৰ দ্বিতীয় দিনা কেইবাটাও কাৰ্যসূচীত ভাগ লয়। ইয়াৰ ভিতৰত সমূহীয়া কথোপকথনৰ পৰা নেডাৰলেণ্ডছৰ ৰাজকীয় পৰিয়ালৰ সৈতে হোৱা বৈঠক অন্যতম। প্ৰধানমন্ত্ৰী মোদী আৰু নেডাৰলেণ্ডছৰ প্ৰধানমন্ত্ৰীয়ে এটা সাংস্কৃতিক অনুষ্ঠানত চোল যুগৰ তাম্ৰপত্ৰ ভাৰতলৈ ঘূৰাই অনাৰ ঐতিহাসিক অনুষ্ঠানত অংশ লয়। এই তাম্ৰপত্ৰয়ো ভাৰতীয় ঐতিহ্য আৰু সভ্যতাৰ গুৰুত্বপূৰ্ণ অধ্যয়ক প্ৰতিনিধিত্ব কৰে আৰু সেইসমূহ স্বদেশলৈ ঘূৰাই অনাটো দেশৰ জনসাধাৰণৰ বাবে আৱেগিক দিশৰ পৰা অতিকে গুৰুত্বপূৰ্ণ। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণকালত টাটা ইলেকট্ৰনিক্সে ছেমিকণ্ডাক্টৰ খণ্ডৰ আগশাৰীৰ কোম্পানী এ এছ এম এলৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। ইয়াৰ ফলত ভাৰতৰ ছেমিকণ্ডাক্টৰ নিৰ্মাণ খণ্ড অধিক শক্তিশালী হৈ উঠিব বুলি আশা কৰা হৈছে। চুক্তিৰ অধীনত এ এছ এম এলে গুজৰাটৰ ঢোলেৰাত ছেমিকণ্ডাক্টৰ নিৰ্মাণ কেন্দ্ৰ স্থাপন আৰু ইয়াৰ সম্প্ৰসাৰণত টাটা ইলেকট্ৰনিক্সক সহায় কৰিব। প্ৰধানমন্ত্ৰীদ্বয়ে লগতে শক্তি, বন্দৰ, স্বাস্থ্য, কৃষি, বাণিজ্য আৰু প্ৰযুক্তিক্ষেত্ৰৰ নেডাৰলেণ্ডছৰ আগশাৰীৰ কোম্পানীসমূহৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে মত বিনিময় কৰে। প্ৰধানমন্ত্ৰীৰ নেডাৰলেণ্ডছ ভ্ৰমণ ১৭ টা গুৰুত্বপূৰ্ণ সাফল্যৰে সম্পন্ন হয়। ইয়াৰে ভিতৰত নৱীকৰণযোগ্য শক্তি সন্দৰ্ভত যুটীয়া কাৰ্যগোট গঠন আৰু নিকা শক্তি সহযোগিতা ত্বৰান্বিত কৰাৰ বাবে সেউজ হাইড্ৰ'জেনৰ পৰিকল্পনা, যোগান শৃংখলা সুৰক্ষিত কৰাৰ বাবে গুৰুত্বপূৰ্ণ খনিজ সম্পদৰ ক্ষেত্ৰত সহযোগিতা, গুজৰাটৰ কল্পাছৰ প্ৰকল্পৰ জৰিয়তে জল ব্যৱস্থাপনাৰ ক্ষেত্ৰত নেডাৰলেণ্ডছৰ সহযোগিতা, ত্ৰিপুৰাত ফুলৰ খেতিৰ বাবে ভাৰত-নেডাৰলেণ্ডছ উৎকৰ্ষ কেন্দ্ৰ স্থাপন তথা কৃষি কৌশল বিকাশৰ উদ্দেশ্যে বাংগালুৰুত দুগ্ধ উৎপাদন প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন অন্যতম।

০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই কালি ডমিনিকাৰ বিদেশ মন্ত্ৰীৰ সৈতে ফাৰ্মাকপিয়া অৰ্থাৎ ঔষধ প্ৰস্তুত কৰাৰ প্ৰণালী সম্পৰ্কীয় নিৰ্দেশনা সম্বলিত গ্ৰন্থ বা তালিকা আৰু দ্ৰুত প্ৰভাৱ প্ৰকল্প সম্পৰ্কীয় বুজাবুজিৰ চুক্তি সম্পাদন কৰে। শ্ৰী মাৰ্ঘেৰিটাই কালি ডমিনিকাৰ বিদেশ, আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়, বাণিজ্য আৰু শক্তি মন্ত্ৰী ভিনছ্ হেণ্ডাৰ্ছনক সাক্ষাৎ কৰে আৰু বিভিন্ন ক্ষেত্ৰত সহযোগিতা সুদৃঢ় কৰাৰ বিষয়ে আলোচনা কৰে। ইয়াৰ পূৰ্বে বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰীগৰাকীয়ে ডমিনিকাৰ কাৰ্যবাহী প্ৰধানমন্ত্ৰী ইৰউইং মেকইণ্টায়াৰক দেখা কৰে আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হৈ শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ লগতে ৰোজোৰ ডমিনিকাৰ ৰাষ্ট্ৰপতি ছিল্‌ভেনি বৰ্টনকো সাক্ষাৎ কৰে। বেলিজ আৰু হণ্ডুৰাছৰ সফল ভ্ৰমণ সামৰি শ্ৰী মাৰ্ঘেৰিটা কালি ডমিনিকাত উপস্থিত হয়।

০০০০

এখন দেশ এটা নিৰ্বাচন বিধেয়ক সন্দৰ্ভত গঠিত যুটীয়া সংসদীয় সমিতিয়ে কালি বাংগালুৰুত বিভিন্ন ৰাজনৈতিক দলৰ নেতা, আইনজীৱী তথা সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ পৰামৰ্শ গ্ৰহণ কৰে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত যুটীয়া সংসদীয় সমিতিৰ অধ্যক্ষ পি পি চৌধাৰীয়ে কয়, যে কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰ, প্ৰাক্তন মুখ্য মন্ত্ৰী বীৰাপ্পা মৈলী আৰু বিজেপি তথা অন্য দলৰ প্ৰতিনিধিসকলৰ এই বিধেয়ক সন্দৰ্ভত সমিতিৰ আগত দাঙি ধৰা মতামত গ্ৰহণ কৰে। অধ্যক্ষগৰাকীয়ে কয়, যে জে পি চিয়ে বিভিন্ন ৰাজ্য ভ্ৰমণৰ সময়ত বিধেয়কখন সন্দৰ্ভত সপক্ষে আৰু বিপক্ষে আগবঢ়োৱা সকলো মতামত সংগ্ৰহ কৰিছে। এই প্ৰস্তাৱৰ বিৰুদ্ধে উত্থাপিত মূল প্ৰত্যাহ্বানৰ বিষয়ে উল্লেখ কৰি তেওঁ

কয়, যে কিছুমান ৰাজ্যত সময়ৰ পূৰ্বে বিধানসভা ভাঙি যোৱা, দল ত্যাগ বিৰোধী আইন আৰু অনাস্থা প্ৰস্তাৱ তথা ৰাষ্ট্ৰপতি শাসনৰ পৰিপ্ৰেক্ষিততে একে সময়তে অনুষ্ঠিত নিৰ্বাচনৰ প্ৰয়োজনীয়তা আহি পৰিছে। তেওঁ কয়, যে সঘনাই হৈ থকা নিৰ্বাচনসমূহ ৰাষ্ট্ৰীয় স্বাৰ্থৰ পৰিপন্থী আৰু সময়ে সময়ে নিৰ্বাচনী বিধি বলৱৎ হৈ থকাৰ পৰিপ্ৰেক্ষিতত উন্নয়নমূলক কাৰ্য, অৰ্থনৈতিক কাম-কাজ আৰু পৰ্যটন খণ্ডত বিৰূপ প্ৰভাৱ পৰে। ইয়াৰ লগতে শিক্ষা, বেংকিং খণ্ড আৰু চৰকাৰৰ বিভিন্ন বিভাগৰ কাম-কাজতো ব্যাঘাত জন্মে।

০০০০

কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ত সংঘটিত ধৰ্ষণ আৰু হত্যাৰ ঘটনাৰ শুনানি কলকাতাৰ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ চম্পা সৰকাৰ আৰু ন্যায়াধীশ তীৰ্থাংকৰ ঘোষৰ খণ্ড বিচাৰপীঠত অনুষ্ঠিত হ'ব। ২০২৫ চনৰ জানুৱাৰীত এই গোচৰত দোষী সাব্যস্ত হোৱা সঞ্জয় ৰয়ক আদালতে আজীৱন কাৰাদণ্ডৰ ৰায় দিয়ে। কিন্তু সঞ্জয় ৰয়ে নিজৰ মুক্তিৰ বাবে জনোৱা আবেদনৰ পাছতে বিভিন্ন মহলত তেওঁৰ মৃত্যুদণ্ডৰ দাবী উত্থাপিত হোৱাৰ পাছত গোচৰটো চি বি আইয়ে তদন্ত কৰি আছে। মৃত চিকিৎসকগৰাকীৰ পিতৃ-মাতৃয়ে এই ঘটনাৰ সৈতে জড়িতৰ অভিযোগত টি এম চিৰ বিধায়ক নিৰ্মল ঘোষ, সঞ্জীৱ মুখপধ্যায় আৰু ঘোলা আৰক্ষী থানাৰ তেতিয়াৰ আৰক্ষী অধীক্ষকক গ্ৰেপ্তাৰৰ দাবীত গোচৰ ৰুজু কৰিছিল। মৃত চিকিৎসকগৰাকীৰ পিতৃ-মাতৃয়ে এইবুলি অভিযোগ কৰে যে এই তিনিওগৰাকী ব্যক্তিয়ে মৃতদেহৰ দ্বিতীয়বাৰৰ মৰণোত্তৰ পৰীক্ষাত বাধা দিয়াৰ লগতে মৃতদেহ সৎকাৰৰ সময়ত যথোচিত নিয়ম মানি চলা নাছিল।

০০০০

থাইলেণ্ড অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ফাইনেলত আজি ভাৰতৰ স্বাত্বিকছাইৰাজ ৰণকীৰেড্ডী আৰু ছিৰাগ চেট্টিৰ যুটীটো ইণ্ডোনেছিয়াৰ লিঅ' ৰোলী ক'ৰ্নেডো আৰু ডেনিয়েল মাৰ্টিনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইয়াৰ পূৰ্বে স্বাত্বিকছাইৰাজ আৰু ছিৰাগৰ যুটীটোৱে কালি চেমিফাইনেলত মালয়েছিয়াৰ গোহ ছ্জি ফেই আৰু নুৰ ইজুদ্দিনৰ যুটীটোক ১৯-২১, ২২-২০, ২১-১৬ গেমত পৰাস্ত কৰে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত কলকাতা নাইটৰাইডাৰ্ছে গুজৰাট টাইটানছক ২৯ ৰানত পৰাস্ত কৰি প্লে অফ পৰ্যায়ত প্ৰৱেশৰ আশা সজিৱ কৰি ৰাখে। গুজৰাট টাইটানছে ২৪৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৪ টা উইকেট হেৰুৱাই ২১৮ ৰান কৰিবলৈ সমৰ্থ হয়। গুজৰাট টাইটানছৰ হৈ অধিনায়ক শুভমন গীলে সৰ্বাধিক ৮৫ ৰান কৰে। ছাই সুদৰ্শনে ৫৩ আৰু য'ছ বাটলাৰে ৫৭ ৰানৰ বৰঙণি আগবঢ়ায়। কলকাতাৰ হৈ সুনীল নাৰায়ণে দুটা উইকেট লাভ কৰে। নাৰায়ণক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। ইয়াৰ পূৰ্বে কলকাতা নাইটৰাইডাৰ্ছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত দুটা উইকেট হেৰুৱাই ২৪৭ ৰান সংগ্ৰহ কৰে। কলকাতাৰ হৈ অ'পেনাৰ ফিন এলনে সৰ্বাধিক ৯৩ ৰান কৰে।

প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। হিমাচল প্ৰদেশত বিয়লি চাৰে তিনি বজাত হ'বলগীয়া প্ৰথমখন খেলত পাঞ্জাব কিংছ ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত সন্ধিয়া চাৰে সাত বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ডেলহি কেপিটেলছ, ৰাজস্থান ৰয়েলছৰ সন্মুখীন হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ